দেওবৰীয়া

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...শতিতম বছৰ, সংখ্যা ২৫৯ ● দেওবাৰ ● ১৬ জেঠ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Sunday May 31, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা...

## ...শইকীয়াৰ বিদায় সম্বৰ্ধনা

...ৰাই,গামোচা, চেলেং, জাপি, কিতাপৰ টোপোলা আৰু সম্বৰ্ধনা-...ত্ৰ আদিৰে উষ্ম বিদায় সম্বৰ্ধনা জনায়।

## দুলীয়াজানত ধুমুহাত বিস্তৰ ক্ষতি

**দুলীয়াজান ঃ ৩০ মে' ঃ** আজি বিয়লি অহা এজাক প্ৰচণ্ড ধুমুহাই দুলীয়াজানত ব্যাপক ক্ষতিসাধন কৰে। এই ধুমুহাত চহৰখনৰ ২১ নম্বৰ তিনিআলিত গছ ভাগি পৰি এজন লোক গুৰুতৰভাৱে আহত হোৱাৰ লগতে চলাই অহা মটৰচাইকেলখনৰ ক্ষতি হয়। ইফালে দুলীয়াজান মহাবিদ্যালয়ৰ সমীপতো ধুমুহাত এখন বাহনৰ ওপৰত গছ ভাগি পৰাত বাহনখনৰ ক্ষতিসাধন হয়। আনহাতে, চহৰখনৰ বিভিন্ন স্থানত ধুমুহাৰ ফলত চহৰখনৰ ঠায়ে ঠায়ে বিদ্যুৎ যোগান আৰু যাতায়াত ব্যৱস্থা ব্যাহত হৈ থকা বুলি জানিব পৰা গৈছে।

কলকাতাৰ ব্যক্তিগত এখন নাৰ্ছিংহ'মত চিকিৎসাধীন হৈ থকাৰ অৱস্থাত শুকুৰবাৰৰ পুৱতি নিশা শেষ নিশ্বাস ত্যাগ কৰে। অতি অমায়িক সৰলমনা মহিলাগৰাকীয়ে জীৱিত অৱস্থাত স্থানীয় সমূহ ধৰ্মাৱলম্বী লোকৰ সৈতে মিলাপ্ৰীতিৰে আছিল। জাতি, ধৰ্ম, বৰ্ণৰ সকলোৰে লগত থকা আন্তৰিকতাৰ বাবেই আজি কলকাতাৰ পৰা মণি বেগমৰ নশ্বৰদেহ কেন্দুগুৰিৰ স্বামীগৃহলৈ অনাৰ পাছতে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে বহুসংখ্যক লোকে মৃতকৰ ঘৰলৈ আহি অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে। স্থানীয় হিন্দু সমাজ, যুৱ সংঘ, মুছলিম সমাজ, বিভিন্ন ব্যক্তি মহিলা আদিয়ে মণি বেগমৰ নশ্বৰদেহত গামোচা, পুষ্প দানেৰে অন্তিম শ্ৰদ্ধা জনোৱাৰ লগতে আত্মাৰ শান্তিৰ বাবে মৌন প্ৰাৰ্থনাও কৰে। তেওঁ স্বামীৰ লগতে এজন পুত্ৰ, এগৰাকী

## ডিব্ৰুগড় চৰকাৰী দন্ত চিকিৎসা মহাবিদ্যালয়ত বিশ্ব ধঁপাত নিষিদ্ধ দিৱস উদ্‌যাপন

**ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৩০ মে' ঃ** ডিব্ৰুগড় চৰকাৰী দন্ত চিকিৎসা মহাবিদ্যালয়ৰ জনস্বাস্থ্য দন্ত চিকিৎসা বিভাগে 'আনমাস্কিং দ্য আপীল - কাউণ্টাৰিং নিক'টিন আৰু ধঁপাত আসক্তি' শীৰ্ষক বিষয়বস্তুৰ অধীনত বিশ্ব ধঁপাত নিষিদ্ধ দিৱস তিনিদিনীয়াকৈ উদ্‌যাপন কৰে। অভিযানত ছাত্ৰ-ছাত্ৰী, অধ্যাপক সদস্য, স্বাস্থ্যসেৱা পেছাদাৰী, ৰোগী, আৰু জনসাধাৰণৰ সদস্যসকলক একত্ৰিত কৰি ধঁপাত বন্ধ আৰু জনস্বাস্থ্য সজাগতাক প্ৰসাৰিত কৰাৰ সামূহিক প্ৰচেষ্টাত অংশগ্ৰহণ কৰা হয়। উদ্‌যাপনৰ প্ৰথম দিনটোত ডিব্ৰুগড়ৰ ডনবস্ক' ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত মৌখিক স্বাস্থ্য আৰু ধঁপাত সজাগতা শিবিৰ অনুষ্ঠিত হয়। য'ত ছাত্ৰ-ছাত্ৰীসকলক ধঁপাত সেৱনৰ ক্ষতিকাৰক প্ৰভাৱ আৰু মুখৰ সুস্বাস্থ্য বজাই ৰখাৰ গুৰুত্বৰ বিষয়ে জ্ঞান প্ৰদান কৰা হয়। দ্বিতীয় দিনা সজাগতা সমাৱেশৰ আয়োজন কৰা হয় আৰু তাৰ পাছত অসম চিকিৎসা মহাবিদ্যালয়ৰ অ'পিডি কমপ্লেক্সত পথৰ নাটক প্ৰদৰ্শন কৰা হয়। তৃতীয় তথা সামৰণি দিনটোত চৰকাৰী দন্ত চিকিৎসা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আনুষ্ঠানিক কাৰ্যসূচী অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ ডি এইচ এছ কে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ বিপৰীতে এছ ডি এম অ' ডাঃ স্মিতা গোহাঁই আৰু তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধীক্ষক ডাঃ মুকুল শৰ্মাই অংশগ্ৰহণ কৰে। ডিব্ৰুগড় চৰকাৰী দন্ত চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ চন্দনা কলিতাই বিশিষ্ট অতিথিসকলৰ সৈতে ধঁপাত নিয়ন্ত্ৰণৰ গুৰুত্ব আৰু স্থায়ী জনসচেতনতাৰ বিষয়ত আলোকপাত কৰে। কাৰ্যসূচীৰ এটা বিশেষভাৱে উল্লেখযোগ্য দিশ আছিল কৰ্কট ৰোগৰ পৰা ৰক্ষা পোৱা লোকসকলৰ উপস্থিতি। সকলো ছাত্ৰ-ছাত্ৰীয়ে ধঁপাত বন্ধ কৰা আৰু জনস্বাস্থ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি চিন্তা-উদ্দীপক বিষয়বস্তু সৃষ্টি কৰি শ্ল'গান লিখা, ফটোগ্ৰাফী, ৰীল নিৰ্মাণ আৰু চুটি ছবি নিৰ্মাণ প্ৰতিযোগিতাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।

## চাবুৱা আঞ্চলিক মইনা পাৰিজাতৰ নতুন সমিতি গঠন

**চাবুৱা ঃ নিজা প্ৰতিবেদক, ৩০ মে' ঃ** আজি চাবুৱা আঞ্চলিক মইনা পাৰিজাতৰ অন্তৰ্গত সকলো শাখাৰ সভাপতি-সম্পাদক, পৰিচালক- পৰিচালিকা আৰু শিশুপ্ৰেমী ৰাইজৰ উপস্থিতিত এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা দিনজয় সত্ৰ মইনা পাৰিজাতৰ সমীপৰ দিনজয় সত্ৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে চাবুৱা আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি কৰুণাকান্ত গগৈয়ে। অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম মইনা পাৰিজাতৰ সাংগঠনিক সম্পাদক অমৃত ফুকন, শিশু বন্ধু কুলেন দাস, শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ জ্যেষ্ঠ প্ৰবক্তা ভূপেন দাস, উপদেষ্টা প্ৰভাত দত্ত, নবীন গগৈ, পৰিনীতা হাজৰিকা, মহন দত্ত, শিশুপ্ৰেমী জয়ন্ত সন্দিকৈ, ফিৰোজ খাওন্দ, সবল দত্ত, বৰ্ণালী গোহাঁই, আজীৱন সদস্য কিশোৰ গগৈ, প্ৰণৱজ্যোতি দিহিঙীয়া, কাবেৰী

## এলেকাত নাহ...

**লেখাপানী ঃ নিজা প্ৰতিবেদক, ৩০ মে' ঃ** ...
মুলাং, কুঁহিয়াৰবাৰী চিপে গাঁও আদি কৰি অ...
পৰা এটা নাহৰফুটুকী মুক্ত বিচৰণ কৰি ফুৰা ...
হৈ পৰিছে অঞ্চলসমূহৰ জনসাধাৰণ। তিনিচু...
অঞ্চলসমূহ নৈ কাষৰীয়া, হাবিতলীয়া তথা ...
ওচৰে- পাঁজৰে নাহৰফুটুকীটোৱে বিচৰণ কৰি...
জনসাধাৰণে। নাহৰফুটুকীটোৰ এনে মুক্ত বি...
জনসাধাৰণৰ লগতে ভিন্ন কাৰ্যৰ বাবে দৈনিক...
যাহ কৰিবলগীয়া হোৱা লোকসকল যথেষ্ট...
জনসাধাৰণৰ ঘৰচীয়া জীৱ-জন্তুৰ প্ৰতিও নাহৰ...
আহিছে। মুঠতে নাহৰফুটুকীৰ এনে মুক্ত বি...
জনসাধাৰণৰ। বিশেষকৈ মুলাং, কুঁহিয়াৰ...
নাহৰফুটুকীটো ঘূৰি ফুৰা অৱস্থাত একাধিক...
সন্ধিয়াৰ পাছত ঘৰৰ বাহিৰলৈ ওলাবলৈও ...
লোকসকলে। ইফালে কালি লিডুস্থিত আই ...
প্ৰহৰীয়ে নাহৰফুটুকীটো ঘূৰি ফুৰা অৱস্থাত ...
সময়ত এই সন্দৰ্ভত লেখাপানী বন বিভাগ...
পাই বন বিভাগৰ এটা দল ঘটনাস্থলীত উপস্থি...
নাহৰফুটুকীয়ে উক্তস্থান ত্যাগ কৰে। অঞ্চল...
বিচৰণ কৰি ফুৰা এই নাহৰফুটুকীটোৰ বাবেই ...
মাজত ভয় আৰু শংকাৰ পৰিৱেশে বিৰাজ ...
অঞ্চলবাসীক সাৱধানতা অৱলম্বন কৰাৰ আহ্...
যদি কোনোবাই নাহৰফুটুকীটো দেখা পায়, ...
অথবা বনৰক্ষী বাহিনীক খবৰ দিবলৈ অনুৰো...

## তালাপত কী... ছাত্ৰ-ছাত্ৰীক আছু...

**তালাপ ঃ নিজা প্ৰতিবেদক, ৩০ মে' ঃ** ডাঙৰী আ...